
# পাঠ - ৯ অসম

*বিভিন্ন জনগোষ্ঠীৰ বাসভূমি আমাৰ অসম ৰাজ্যৰ প্ৰাচীন সীমা বিস্তৃত আছিল । কালক্ৰমত গৌৰৱময় ৰাজ্যখন সংকুচিত হৈ পৰিলেও আমাৰ ভাষা, সাহিত্য আৰু সংস্কৃতি অতিকৈ সমৃদ্ধিশালী। বহিঃশক্তিৰ আগ্ৰাসনে আমাৰ মূল ভেটিক লৰাব পৰা নাই। তাৰ বিপৰীতে জুয়ে পোৰা সোণৰ দৰে উজ্বলিহে উঠিছে। নদ-নদী, পৰ্বত-কন্দৰ সকলো আমাৰ জাতীয় সম্পদ। তেনে এখন সম্পদশালী দেশক লৈ বেজবৰুৱাদেৱে 'অ মোৰ আপোনাৰ দেশ' নামৰ অসমৰ জাতীয় সংগীতটি লিখিছিল। এই অনুপম জাতীয় সংগীতটি আমাৰ দেশপ্ৰেমৰ অপূৰ্ব চানেকি। 'অসম' নামৰ প্ৰবন্ধৰ মাজত নিহিত হৈ আছে আমাৰ ঐতিহ্য আৰু সংহতিৰ উজ্বল ছবি।*

আমি যি দেশত উপজিছোঁ, যি দেশৰ অন্ন পানী খাই ডাঙৰ-দীঘল হৈছোঁ, যি দেশৰ বতাহ উশাহ-নিশাহত লৈ জীয়াই আছোঁ, আমাৰ সেই 'স্বৰ্গতো অধিক জনমভূমি'ৰ নাম অসম। আমি অসমীয়া বুলি নিজৰ চিনাকি দিওঁ। কিন্তু এই দেশৰ নাম পূৰ্বে অসম নাছিল। বৈদিক যুগত এই দেশৰ নাম প্ৰাকী দেশ, পৌৰাণিক যুগত প্ৰাগজ্যোতিষ আৰু তান্ত্ৰিক যুগত কামৰূপ আছিল। একালত কামৰূপ ৰাজ্যৰ সীমা দক্ষিণে বঙ্গোপসাগৰ আৰু পশ্চিমে কৰতোৱালৈ আৰু মৈমনসিংহ জিলাৰ মাজেদি বৈ যোৱা ব্ৰহ্মপুত্ৰৰ মৰা সুঁতি আছিল। এই সুবিস্তৃত কামৰূপ ৰাজ্যৰ উজনী ছোৱাৰ নাম সৌমাৰ আছিল। সুমেৰু বা দেৱলোকৰ তলত থকাৰ নিমিত্তে বোধকৰো এখণ্ডক সৌমাৰ পীঠ বোলা হৈছিল।




উৎস - পুৰণি অসমৰ মানচিত্ৰখন প্ৰয়াত প্ৰধান শিক্ষক পীতাম্বৰ চৌধুৰীয়ে (ইংৰাজী ১৯৫৬-৫৭চনত) প্ৰশিক্ষণকালত প্ৰস্তুত কৰা অসমৰ ঐতিহাসিক ভূচিত্ৰাৱলীৰ পৰা লোৱা হৈছে। 'অসম' পাঠটোত থকা সৌমাৰ পীঠৰ অৱস্থান সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ দ্বাৰা অৱগত হ'ব।

এই সৌমাৰতে সৌম্য নামে এখন ৰাজ্য আছিল আৰু তাত থকা আৰ্য্য সন্তানসকলক সৌম্য বা সোম বোলা হৈছিল। ভাস্কৰাচাৰ্য্যৰ পুথিত সৌম্য ৰাজ্যৰ উল্লেখ আছে। সৌমাৰ পীঠৰ মানুহক য সোম বোলা হৈছিল সেই কথা যোগিনী তন্ত্ৰৰ পৰাও জনা যায়। যেতিয়া স্বান জাতীয় চুকাফা ৰজাই পাটকাই পৰ্বত পাৰ হৈ আহি উজনি অসম অধিকাৰ কৰে, তেতিয়া সৌমাৰৰ সোমসকলে স্বান জাতীয় লোকবিলাকক 'আসোম' বা 'অসম' বুলিছিল। 'আসোম ' বা 'অসম' শব্দই পাছে আহোম' বা 'অসম' এইদৰে স্বানজাতিৰ মানুহৰ মুখত উচ্চাৰিত হ'ল। 'স' অহোমৰ-মুখত 'হ' হোৱাটো সকলোৰে জানে। আহোমৰ দিনতে অনেক শব্দৰ শ,ষ,স,গু,চ হ হয়। যেনে — বিহ, পিয়াহ, পাহৰা ইত্যাদি। এতিয়াৰ আহোম বা অসমসকলক যে পূৰ্বে আহোম বা অসম বোলা হৈছিল, —সেইটো পুৰণি পুথি আদিৰ পৰা জনা যায়। অসম জাতিয়ে এই দেশ অধিকাৰ কৰিলত ইয়াৰ নামো 'অসমৰ দেশ' বা 'অসম দেশ' হ'ল।

মুছলমান বুৰঞ্জীলেখকেও এই দেশক 'অসমৰ দেশ' বুলিছিল। ইংৰাজ গৱৰ্ণমেণ্টেও প্ৰথমে এই দেশ লওঁতে ইংৰাজীত ইয়াৰ নাম ASAM বুলিহে লিখা দেখা গৈছিল। ছশ বছৰীয়া অসম ৰাজত্বৰ অমৰ কীৰ্ত্তিস্বৰূপে আমাৰ দেশ "অসম" নামৰ মাল্য পিন্ধি জগতত জনাজাত হ'ল। অহম জাতিৰ অন্যান্য কীৰ্ত্তিকলাপ লোপ পালেও 'অসম' নামেই তেওঁলোকক চিৰস্মৰণীয় কৰি ৰাখিব। অসম বা অহমসকলৰ ৰাজত্বতহে যে এই দেশৰ নাম অসম হ'ল, সেই কথা ইতিহাসত পোৱা যায়।

আমি আমাৰ মৰমৰ মাতৃভূমিৰ যি নাম পাইছোঁ তাকে সাদৰে গ্ৰহণ কৰি সন্তোষ লাভ কৰা উচিত, আৰু অসমীয়া মাত্ৰেই সেই নামৰ গৌৰৱ বঢ়াবলৈ অহোপুৰুষাৰ্থ কৰিব লাগে। আৰ্য্য আৰু অনাৰ্য্যৰ সংমিশ্ৰণত, অনেক জাতি আৰু উপজাতি মিলি বৰ্ত্তমান অসমীয়া জাতি গঠিত হৈছে। অসমৰ ভাষা, সাহিত্য, বুৰঞ্জী, লোকতত্ত্ব, সমাজতত্ত্ব প্ৰভৃতি বিষয় সকলো আমোদৰ, বিশেষকৈ শিক্ষিত ডেকাসকলৰ আলোচনা আৰু অনুসন্ধানৰ বিষয় হ'ব লাগে। পুৰণি সাধু, পটন্তৰ, ফকৰা, সাঁথৰ, নাম, গীত, মালিতা, ভাওনা, সবাহ, ক্ৰীড়া-কৌতুক, পুৰণি মন্দিৰ, দৌল, দেৱালয় আদিৰ তথ্য সংগ্ৰহ কৰা উচিত। বিশ্ব ব্ৰহ্মাণ্ডক বুজিবলৈ হ'লে এখন নিৰ্দিষ্ট সীমাবদ্ধ ঠাইতে প্ৰথমতে হাত দিব লাগিব। দূৰণিক ওচৰ কৰিবৰ উপায় হৈছে, ওচৰৰ পৰা ক্ৰমে দূৰলৈ যোৱা। নিজৰ ভিতৰত এটা স্বাতন্ত্ৰ্যৰ অনুভূতি নহ'লে শক্তিৰ যথাৰ্থ বিকাশ হ'ব নোৱাৰে। এই শক্তি কোনো এফালে বিকশিত হ'বলৈ আৰম্ভ কৰিলেই সি সকলোপিনেই ক্ৰমে বিকশিত হ'ব। পৰ্বতৰ ক্ষুদ্ৰ উঁহ বা জুৰিৰ কথা ভবাৰ আগেয়ে নিজৰ মাতৃভূমিৰ কথা ভাবিব লাগিব।

*উৎস ঃ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাৱলী (৩য় খণ্ড, প্ৰথম প্ৰকাশ, জানুৱাৰী ২০০৫ চন, পৃষ্ঠা-২১১৭-১৮)ৰ 'অসম' শীৰ্ষক প্ৰবন্ধটিৰ কিয়দাংশ আৰু মূলৰ কিছু সাল-সলনি কৰি সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ যুগুতোৱা হৈছে।*

আগেয়ে নিজৰ ক্ষুদ্ৰ নিজৰাক বৰ নৈৰ নিচিনা বেগৱতী কৰিব পাৰিলে নিজৰাই নিজেই গৈ সাগৰৰ লগত মিলিব পাৰিব। আমাৰ সকলো শক্তি স্বদেশৰ সেৱাত লগাব লাগিব। যাৰ শক্তি আছে, তেওঁলৈ সেৱাৰ পাত্ৰও আছে।



সৰুটি হৈহে সংসাৰত সৰকিব পাৰি; ভেম আৰু আলাহৰে উদগতি কৰিব নোৱাৰি। শক্তিৰ চৰ্চা মানে স্বাধীনতা। স্বাধীনতাই আনন্দ; অসমক অসমা অৰ্থাৎ অনুপমা কৰি তুলিবলৈ হ'লে, অসমীয়া জাতিক এটা আদৰ্শ জাতিৰূপে গঢ়িবলৈ হ'ল। প্ৰথমতে আমাৰ ভাষা আৰু সাহিত্যৰ উন্নতি সাধন কৰিব লাগিব। সাধাৰণ শিক্ষাৰ সোঁত প্ৰৱলৰূপে বোৱাই দিব লাগিব, আৰু ধৰ্মনীতিৰ বিমল কিৰণেৰে গোটেইখন দেশক আলোকিত কৰিব লাগিব।

— *ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা*

**টোকাঃ**

- *আহোমৰ দিনত অনেক শব্দৰ শ,ষ,স,(গু,চ),হ হয়। এই বাক্যটোত গু,চ ৰ ঠাইত সম্ভৱতঃ 'গুচি' হ'ব।*
- *পাঠত থকা আৰ্য্য, কীৰ্ত্তি, অনাৰ্য্য আৰু 'ভাস্কৰাচাৰ্য্য' তৎসম ৰূপত দ্বিত্ব ৰূপে মানি লিখাহৈছিল। এতিয়া এই দ্বিত্বৰূপ বৰ্জন কৰি 'আৰ্য,' কীৰ্তি, অনাৰ্য আৰু 'ভাস্কৰাচাৰ্য' ৰূপত লিখা হয়।*

জানো আহা

**লক্ষ্মীনাথ বেজবৰুৱা** — ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া ভাষা সাহিত্যৰ প্ৰধান গুৰি ধৰোঁতা। তেখেতে কবিতা, উপন্যাস, চুটি গল্প, নাটক, ৰস-ৰচনা, জীৱনী আদি সাহিত্যৰ সকলো বিষয়তে প্ৰচুৰ অৰিহণা যোগাই গৈছে। তেখেতৰ ৰচনাসমূহৰ ভিতৰত কবিতা পুথি - 'কদমকলি', উপন্যাস - 'পদুম কুঁৱৰী' চুটিগল্প - 'সুৰভি', 'কেঁহোকলি', শিশু সাহিত্য - 'সাধুকথাৰ কুঁকি', 'জোনবিৰি', 'জুনুকা', 'বুঢ়ী আইৰ সাধু', 'ককাদেউতা আৰু নাতিল'ৰা' আদিয়েই প্ৰধান।



তেখেতৰ ধেমেলীয়া নাটসমূহ - 'লিতিকাই', 'নোমল, পাচনি', 'চিকৰপতি-নিকৰপতি'।

তেখেতে বুৰঞ্জীমূলক নাট, জীৱনী, আত্ম-জীৱনী লিখাৰ উপৰি 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', 'কৃপাবৰ বৰুৱাৰ ওভতনি', 'বৰবৰুৱাৰ ভাৱৰ বুৰবুৰণি', 'বৰবৰুৱাৰ বুলনি' আদি লিখি থৈ গৈছে। তেখেতে লিখাসমূহত হাঁহিৰ ছলেৰে অসমীয়া মানুহৰ স্বভাৱ, দোষ-ত্ৰুটিবিলাক আঙুলিয়াই দেখুৱাইছে।

তোমালোকে গাই অহা **'অ মোৰ আপোনাৰ দেশ'** জাতীয় সংগীতটো লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা।

১৯২৪ চনত তেখেতে অসম সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰিছিল। খুহুটীয়া ৰচনাত তেখেত আজিলৈকে অসমীয়া সাহিত্যত অদ্বিতীয় হৈ আছে। সেইবাবে তেখেতক **'ৰসৰাজ'** উপাধিৰে বিভূষিত কৰা হয়। জনমানসত তেখেত **'সাহিত্যৰথী'** নামে জনাজাত। তেখেতে হাস্যৰসাত্মক ৰচনাবোৰ 'কৃপাবৰ বৰবৰুৱা' ছদ্মনামত লিখিছিল।

## ক — পাঠভিত্তিক ক্ৰিয়া

### ক্ৰিয়া-কলাপ

১। পাঠটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়া।

২। **কোৱা।**

(ক) লেখকে কোনখন ঠাইক 'স্বৰ্গতো অধিক জনমভূমি' বুলি কৈছে।

• *পাঠটোৰ আদৰ্শ পঠন দিব আৰু প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে দফা দফাকৈ পঢ়িবলৈ দিব।*

(খ) প্ৰাচীন কালত আমাৰ ৰাজ্যৰ কোন ছোৱাক সৌমাৰ পীঠ বোলা হৈছিল?
(গ) ইতিহাসৰ মতে কাৰ ৰাজত্ব কালত আমাৰ ৰাজ্যখনৰ নাম অসম বা অহম হ'ল?
(ঘ) আমাৰ সকলো শক্তি কিহৰ সেৱাত লগাব লাগিব?
(ঙ) ইংৰাজ গৱৰ্ণমেণ্টে প্ৰথমে এই দেশৰ নাম ইংৰাজীত কি বুলি লিখিছিল?
(চ) অসমক কোনে 'অসমৰ দেশ' বুলি কৈছিল?

৩। **উত্তৰ লিখা।**
(ক) প্ৰাচীন কামৰূপৰ দক্ষিণ সীমা কোনখিনিলৈকে বিস্তৃত আছিল?
(খ) সৌম্য ৰাজ্যত থকা আৰ্য্য সন্তানসকলক কি বোলা হৈছিল?
(গ) সৌমাৰৰ সোমসকলে স্বানজাতীয় লোকসকলক কি বুলি মাতিছিল?
(ঘ) চুকাফা ৰজাই কি পৰ্বত পাৰ হৈ উজনি অসম অধিকাৰ কৰিছিল?

৪। **'ক' অংশৰ বাকচত থকা শব্দ কেইটাৰ অৰ্থ 'গ' অংশৰ বাকচত আছে। এতিয়া তাৰ পৰা উপযুক্ত অৰ্থ বিচাৰি 'খ' অংশৰ বাকচত লিখা।**

| 'ক' অংশ | 'খ' অংশ | 'গ' অংশ |
|---|---|---|
| চিৰস্মৰণীয় | | প্ৰাণপণ চেষ্টা |
| কীৰ্তিকলাপ | | গভীৰভাৱে তথ্য বিচাৰি চোৱা, অন্বেষণ |
| অহোপুৰুষাৰ্থ | | মাটিৰ তলৰ পৰা পানী ওলোৱাৰ বাট বা বিন্ধা |
| অনুসন্ধান | | স্বাধীন |
| স্বতন্ত্ৰ | | ভাল কামৰ পৰিচয়সূচক কাৰ্যাৱলী |
| সন্তোষ | | সদায় মনত ৰাখিবৰ যোগ্য |
| উঁহ | | আনন্দ, হৰ্ষ |

৫। **উত্তৰ লিখা।**
(ক) অসম নামৰ উৎপত্তি কেনেকৈ হ'ল ?
(খ) বৰ্তমানৰ অসমীয়া জাতিটো কেনেদৰে গঠিত হৈছে?
(গ) অসমীয়া জাতিক এটা আদৰ্শ জাতিৰূপে গঢ়িবলৈ আমি কি কি কৰা উচিত?
(ঘ) অসমৰ গৌৰৱ বঢ়াবলৈ আমি কি কি কাম কৰিব লাগে?

৬। **বিভিন্ন কালত অসমক কি কি নামেৰে জনা গৈছিল, ক-অংশৰ লগত খ-অংশ মিলোৱা।**

| **'ক' অংশ** | **'খ' অংশ** |
|---|---|
| ইংৰাজৰ শাসনকালত | অসমৰ দেশ |
| বৈদিক যুগত | কামৰূপ |
| পৌৰাণিক যুগত | অসম |
| তান্ত্রিক যুগত | প্রাকী দেশ |
| বর্তমান যুগত | প্রাগজ্যোতিষ |
| মুছলমানৰ শাসনকালত | ASAM |

৭। **তলৰ কথা কেইশাৰীৰ তাৎপর্য বহলাই লিখোঁ আহা—**

(ক) 'আগেয়ে নিজৰ ক্ষুদ্র নিজৰাক বৰ নৈৰ নিচিনা বেগৱতী কৰিব পাৰিলে নিজৰাই নিজে গৈ সাগৰৰ লগত মিলিব পাৰিব।'

(খ) 'সৰুটি হৈ হে সংসাৰত সৰকিব পাৰি, ভেম আৰু আলাহেৰে উদগতি কৰিব নোৱাৰি।'

## খ — ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)

৮। **'অসম' পাঠটিৰ পৰা তলৰ শব্দবোৰৰ বিপৰীত অর্থ বুজোৱা শব্দবোৰ বাছি উলিয়াই লিখা।**

| | | | |
|---|---|---|---|
| পৰাধীন — | | অনুচিত — | |
| অসন্তোষ — | | নিৰানন্দ — | |
| বিদেশ — | | বর্জন — | |

৯। **সন্ধি গঠন কৰা আৰু ভাঙা।**

| | | | |
|---|---|---|---|
| যথা + অর্থ | | দেৱালয় | |
| বিদ্যা + আলয় | | নৰেন্দ্র | |
| উৎ + গতি | | উন্নতি | |
| উৎ + যাপন | | উদ্ভৱ | |

**জানো আহা**

পাঠত, 'পৌৰাণিক' শব্দটো আছে। এই শব্দটো 'ষ্ণিক্' প্ৰত্যয় যোগ হৈ গঠিত হৈছে।
যেনে, পুৰাণ + ষ্ণিক্ = পৌৰাণিক।
সংস্কৃতৰ 'ষ্ণিক্' প্ৰত্যয় অসমীয়াত-'ইক' প্ৰত্যয় হৈ শব্দৰ লগত যোগ হৈছে।

যেনে, তন্ত্ৰ + ইক (ষ্ণিক্) = তান্ত্ৰিক
ঈশ্বৰ + ইক (ষ্ণিক্) = ঐশ্বৰিক
হৃদ্ + ইক (ষ্ণিক্) = হাৰ্দিক
লোক + ইক (ষ্ণিক্) = লৌকিক
ইতিহাস + ইক (ষ্ণিক্) = ঐতিহাসিক
মূল + ইক (ষ্ণিক্) = মৌলিক
বেদ + ইক (ষ্ণিক্) = বৈদিক

ইক (ষ্ণিক্) প্ৰত্যয়টো যোগ হ'লে শব্দটোৰ আদি স্বৰৰ 'অ' ধ্বনি 'আ'; 'ই,ঈ,এ' ধ্বনি 'ঐ'; 'ঋ' ধ্বনি 'আৰ্' আৰু 'উ,ঊ,ও' ধ্বনি 'ঔ' কাৰান্তলৈ পৰিৱৰ্তন হয়।

১০। **তলৰ শব্দকেইটাৰে একোটাকৈ বাক্য সাজা।**
অসম, জনমভূমি, জনাজাত, অনুসন্ধান, সংগ্ৰহ, সংসাৰ, ক্ষুদ্ৰ

১১। **তোমালোকে তলৰ শব্দকেইটাৰ প্ৰত্যয়বোৰ ভাঙি দেখুওৱা।**
শাৰীৰিক, দৈহিক, মৌখিক, সামাজিক

**জানো আহা**

'**স** অহোমৰ-মুখত **হ** হোৱাটো সকলোৱে জানে। আহোমৰ দিনতে অনেক শব্দৰ **শ, ষ, স,** গুচি **হ** হয়। যেনে- বিহ, পিয়াহ, পাহৰা আদি।'

পাঠত উল্লিখিত এই কথাখিনি এতিয়া ফঁহিয়াই চাওঁ আহা—

'**বিষ**' সংস্কৃত ভাষাৰ পৰা অহা এটি তৎসম অসমীয়া শব্দ। ইয়াৰ অৰ্থ 'খালে প্ৰাণ নষ্ট হোৱা বস্তু'। আহোমসকলৰ দিনত এই শব্দটিৰ '**ষ**'-টো '**হ**' হৈ বিহ শব্দৰ উৎপত্তি হৈছে।

সেইদৰে পুৰণি অসমীয়াত ব্যৱহাৰ হোৱা পাসৰ্ ধাতুৰ '**স**' টো '**হ**' হৈ পাহৰা আৰু সংস্কৃত পিপাসা শব্দৰ '**স**'টো **হ**লে ৰূপান্তৰিত হৈ পিয়াহ সৃষ্টি হৈছে।

এনেদৰে আহোমসকলৰ মুখত শব্দৰ মাজত বা শেষত থকা **শ, স, ষ**-ৰ উচ্চাৰণ প্ৰায়ে '**হ**'লৈ ৰূপান্তৰিত হৈ তলৰ শব্দবোৰ গঠিত হৈছে।

**দশ** ⇨ দহ, বংশী ⇨ বাঁহী, শ্বশুৰ ⇨ শহুৰ, শেষত ⇨ শেহত, আষাৰ ⇨ আহাৰ, পৌষ ⇨ পুহ, ৰস ⇨ ৰহ, ঘাস ⇨ ঘাঁহ, বাস ⇨ বাহ (চৰাই)

## গ — জ্ঞান সম্প্ৰসাৰণ

১২। **দেশৰ সেৱা কৰা মানে দেশৰ বাবে কৰা সকলো সৰু-বৰ কাম। তোমালোকে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে কেনেদৰে দেশৰ সেৱা কৰিবা?**

১৩। **আহোম ৰজাৰ দিনৰ কি কি কীৰ্তি চিহ্ন আমি এতিয়াও দেখিবলৈ পাওঁ, নামবোৰ লিখা।**

১৪। **এই পাঠটোৰ আৰু 'অ' মোৰ আপোনাৰ দেশ' গীতটিৰ লেখকজনৰ নাম লিখি তেখেতৰ দেশ-সেৱাৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।**

জানো আহা

**মালিতা ঃ**

মালিতা এবিধ থলুৱা ভাষাত গঢ় লৈ উঠা কাহিনী গীত। মানুহৰ মুখে মুখে চলি অহা এই গীতবোৰে সমাজ-জীৱনক সামগ্ৰিকভাৱে প্ৰতিফলিত কৰে। সংগীত ধৰ্মিতাই ইয়াৰ প্ৰাণস্বৰূপ। তোমালোকে পঞ্চম শ্ৰেণীৰ পাঠ্যপুথিত পোৱা 'ফুল কোঁৱৰৰ গীত' এটি জনপ্ৰিয় মালিতা।

**সবাহ ঃ**

সবাহ হৈছে ধৰ্মীয় অথবা সামাজিক বিশেষত্ব থকা এটি অনুষ্ঠান। সাধাৰণতে এক নিৰ্দিষ্ট সময়ত আৰু নিৰ্দিষ্ট দিনত এই সবাহ পতা হয়। যেনে- গৰখীয়া সবাহ, গোপিনী সবাহ, অপেশ্বৰী সবাহ ইত্যাদি।

**ক্ৰীড়া-কৌতুক ঃ**

ক্ৰীড়া-কৌতুকক খেল-ধেমালি নামেৰে জনা যায়। অসমৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত অতি প্ৰিয় বহুতো থলুৱা খেল-ধেমালি আছে। যেনে— কণী যুঁজ, কাঁড় খেল, ৰছী টনা, কড়ী, চেংগুটি, ঘিলা খেল, নাও খেল ইত্যাদি।

## ঘ — প্ৰকল্প

১৫। **তোমাৰ জিলাত থকা মন্দিৰ, দৌল আৰু দেৱালয়ৰ তথ্য সংগ্ৰহ কৰি এখন তালিকা প্ৰস্তুত কৰা।**

১৬। **ছবি দুখন পৰ্যৱেক্ষণ কৰা আৰু প্ৰতিখন ছবিৰ বিষয়ে একোটাকৈ টোকা লিখা।**





- *১৫ নং ক্ৰিয়া-কলাপটো কৰাওঁতে সহায় কৰিব।*
- *১৬ নং ক্ৰিয়া-কলাপটো কৰাওঁতে ছবি কেইখন চাই প্ৰতিজন ছাত্ৰ-ছাত্ৰীক প্ৰথমে ক'বলৈ দিব আৰু একোটাকৈ টোকা লিখিবলৈ দিব।*